জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮৬৬/২০২০

# ৩১ জানুৱাৰীৰ ভিতৰত লাইকা-দধিয়াবাসীক পুনৰ সংস্থাপিত কৰিব ৰাজ্য চৰকাৰে

## পুনৰ সংস্থাপন প্ৰক্ৰিয়া চূড়ান্ত কৰাৰ বাবে মুখ্যমন্ত্ৰী সোণোৱালৰ নিৰ্দেশত ১০ জনীয়া কমিটী গঠন

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ অন্তৰ্গত লাইকা-দধিয়া গাঁৱত বসবাস কৰি থকা খিলঞ্জীয়া পৰিয়ালসমূহক ৰাজ্য চৰকাৰে অহা ৩১ জানুৱাৰীৰ ভিতৰত পুনৰ সংস্থাপিত কৰিব। লাইকা-দধিয়াবাসীৰ দাবীৰ প্ৰতি সঁহাৰি জনাই এই পৰিয়ালসমূহক স্থায়ীভাৱে পুনৰ সংস্থাপিত কৰিবলৈ তাৎক্ষণিক যাৱতীয় পদক্ষেপ লোৱাৰ বাবে পৰিৱেশ আৰু বন বিভাগক আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্দেশ দিয়ে। লাইকা-দধিয়াৰ ১৪৫৫ টা পৰিয়ালৰ পুনৰ সংস্থাপনৰ সম্পৰ্কে আলোচনা কৰাৰ উদ্দেশ্যে অসম বিধানসভা চৌহদৰ মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী সোণোৱালে বন আৰু পৰিৱেশ বিভাগক ৰাজহ বিভাগৰ সৈতে পূৰ্ণ সহযোগিতাৰে পুনৰ সংস্থাপনৰ নীতি-নিৰ্দেশনা প্ৰস্তুত কৰি লাইকা-দধিয়াবাসীক অহা ৩১ জানুৱাৰীৰ ভিতৰত ৰাষ্ট্ৰীয় উদ্যানখনৰ বাহিৰত নতুন ভূমি চিনাক্ত কৰি সংস্থাপিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। এই দিশত সহায়ক হোৱাকৈ পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্যক অধ্যক্ষ, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী যোগেন মহনক সদস্য আৰু পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশীক সদস্য সচিব হিচাপে লৈ মুখ্যমন্ত্ৰী সোণোৱালে এখন কমিটী গঠন কৰিবলৈ নিৰ্দেশ দিয়ে। কমিটীৰ সদস্য হিচাপে লখিমপুৰৰ সাংসদ প্ৰদান বৰুৱা, চাবুৱাৰ বিধায়ক বিনোদ হাজৰিকা, ধেমাজিৰ বিধায়ক ডাঃ ৰণোজ পেগু, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ আয়ুক্ত সচিব এম এছ মনিৱন্নন, প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিং আৰু তিনিচুকীয়া তথা লখিমপুৰ জিলাৰ উপায়ুক্তদ্বয়ক অৰ্ন্তভূক্ত কৰা হৈছে।

মুখ্যমন্ত্ৰী সোণোৱালে কমিটীখনক এমাহৰ ভিতৰত লাইকা-দধিয়াবাসীৰ পুনৰ সংস্থাপনৰ বিষয়টো মীমাংসা কৰি স্থায়ী সমাধানৰ বাবে এক যুক্তি সংগত ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰী সোণোৱালে পৰিৱেশ আৰু বন বিভাগক স্থায়ী পুনৰ সংস্থাপনৰ বাবে নতুন ভূমি চিনাক্ত কৰি এসপ্তাহৰ ভিতৰতে জৰীপ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ কয় যাতে তৎকালে পুনৰ সংস্থাপন প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যায়। লাইকা-দধিয়াবাসীৰ সমস্যা মানৱীয়তাৰ দৃষ্টিভংগীৰে বিবেচনা কৰি মুখ্যমন্ত্ৰী সোণোৱালে পুনৰ সংস্থাপিত হ'বলগীয়া পৰিয়ালসমূহৰ বাবে প্ৰয়োজনীয় খোৱাপানী, বিদ্যুৎ, প্ৰাথমিক চিকিৎসা সেৱা আদি সামৰি এটা 'পুনৰ সংস্থাপন পেকেজ' প্ৰস্তুত কৰিবলৈ বিভাগক কয়। পুনৰ সংস্থাপন কৰিবলগীয়া ভূখণ্ড যাতে বানপানী আৰু

খহনীয়াৰ পৰা মুক্ত হয় সেই দিশত নজৰ দিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। তদুপৰি, পুনৰ সংস্থাপিত হ'বলগীয়া পৰিয়ালসমূহে নতুন অঞ্চলটোৰ সেউজ আৱৰণ বৰ্তাই ৰখাৰ বাবে বৃক্ষ ৰোপণৰ পদক্ষেপ ল'ব লাগিব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

পৰিৱেশ আৰু বন মন্ত্ৰী পৰিমল শুক্লবৈদ্য, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, সাংসদ প্ৰদান বৰুৱা, বিধায়কসকল ক্ৰমে ডাঃ ৰণোজ পেগু, বিনোদ হাজৰিকা আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা, মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰ, পৰিৱেশ আৰু বন বিভাগৰ প্ৰধান সচিব অবিনাশ যোশী, প্ৰধান মুখ্য বন সংৰক্ষক এ এম সিং প্ৰমুখ্যে ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া এই বৈঠকত উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰী সোণোৱালে লাইকা-দধিয়াত বসবাস কৰা পৰিয়ালসমূহৰ এটা প্ৰতিনিধি দলৰ সৈতেও মত-বিনিময় কৰে। মুখ্যমন্ত্ৰী সোণোৱালে প্ৰতিনিধি দলটোৱে উত্থাপন কৰা বিষয়সমূহ তথা তেওঁলোকৰ সমস্যা আৰু অভাৱ-অভিযোগৰ বুজ লয়। অহা ৩১ জানুৱাৰীৰ ভিতৰত লাইকা-দধিয়াবাসীক পুনৰ সংস্থাপিত কৰা হ'ব বুলি প্ৰতিনিধি দলটোক মুখ্যমন্ত্ৰী সোণোৱালে আশ্বাস প্ৰদান কৰে।

**সুঃদঃ / বীঃগঃ**
**৩০/১২/২০২০**